# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-June-2026
**Time :** 1715 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীৰ উপস্থিতিত শ্বিলঙত উত্তৰ-পূব ভাৰত আন্তঃগাঁথনি সন্মিলন আৰু প্ৰদৰ্শনী মুকলি।

২। ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশেষ কাৰ্যসূচী।

৩। ৰাজ্যৰ চাৰিবিধ সাংস্কৃতিক আৰু কাৰুশিল্পজাত সামগ্ৰীলৈ GI TAG ৰ স্বীকৃতি লাভ।

**আৰু**

৪। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি ৩ গৰাকী লোকৰ সাক্ষ্য প্ৰদান।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি শ্বিলঙত উত্তৰ-পূব ভাৰত আন্তঃগাঁথনি সন্মিলন আৰু প্ৰদৰ্শনী মুকলি কৰে। এই সন্মিলনৰ পৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৩ হাজাৰ ২১৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া মেঘালয়ৰ ছটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পই পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে প্ৰান্তীয় অঞ্চললৈ যোগাযোগৰ সুবিধা তথা মেঘালয়কে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক বিকাশত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। সন্মিলনত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি বিকাশ ক্ষেত্ৰত দিয়া গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। শ্ৰীগাডকাৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক সম্ভাৱনাৰ পূৰ্ণ ব্যৱহাৰ, আঞ্চলিক সংহতি সুদৃঢ়কৰণ আৰু যুৱ প্ৰজন্ম তথা স্থানীয় প্ৰতিষ্ঠানসমূহৰ বাবে সুযোগ সৃষ্টিৰ উদ্দেশ্যে যোগাযোগ আৰু স্থায়ী আন্তঃগাঁথনিৰ প্ৰসাৰৰ লগতে বিনিয়োগ-কেন্দ্ৰিক বিকাশত গুৰুত্ব আৰোপ কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত দ্ৰুত আৰু নিৰাপদ যাত্ৰা সুনিশ্চিত কৰাৰ বাবে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত বিশ্বমান ঘাইপথ আন্তঃগাঁথনি নিৰ্মাণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ মন্তব্য কৰে।

শ্ৰী গাডকাৰীয়ে এই সন্মিলনত মুখ্য কাৰ্যবাহী বিষয়াসকলৰ ঘূৰণীয়া মেজমেলত অংশ লোৱাৰ কথা। এই সন্মিলনে নীতি নিৰ্মাতা, ঔদ্যোগিক নেতা, বিনিয়োগকাৰী আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অংশীদাৰীসকলক একেলগ কৰি আন্তঃগাঁথনিৰ উন্নয়ন, বিনিয়োগৰ সুযোগ আৰু আঞ্চলিক বিকাশৰ আলোচনাৰ বাবে এখন গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে সেৱা আগবঢ়াই আহিছে। দুদিনীয়াকৈ আয়োজন কৰা এই সন্মিলনত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমা আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই অংশগ্ৰহণ কৰে। এই সন্মিলন উত্তৰ-পূব ভাৰতৰ আন্তঃগাঁথনিক লৈ সমবেত হোৱা সৰ্ববৃহৎ সন্মিলন হ'ব বুলি আশা কৰা হৈছে।

০০০০০০০

স্বাধীনতা সেনানী তথা ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। ভাৰত ত্যাগ আন্দোলনৰ সময়ত গোলাঘাট জিলাৰ সৰু পথাৰত ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত স্বাধীনতা সেনানীগৰাকীক ব্ৰিটিছ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি মৃত্যুদণ্ডৰ হুকুম দিছিল। ১৯৪৩ চনৰ আজিৰ দিনটোতে কুশল কোঁৱৰক যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত ফাঁচী দিয়া হৈছিল। অহিংস নীতিৰে স্বাধীনতা আন্দোলনত যোগ দিয়া সেনানীগৰাকী গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল। আজি স্মৃতি দিৱস উপলক্ষে অসম মুক্তি যুঁজাৰু সন্মিলনৰ উদ্যোগত আৰু ৰাজ্য চৰকাৰৰ সহযোগত গুৱাহাটীৰ ৰূপনগৰৰ স্বতন্ত্ৰ সেনানী ভৱনত শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে শ্বহীদ কুশল কোঁৱৰ এগৰাকী ব্যক্তিয়েই নহয় বৰং দেশপ্ৰম, ত্যাগ আৰু অপৰিসীম সাহসৰ জীৱন্ত প্ৰতীক আছিল। তেওঁৰ জীৱনগাঁথাই আজিও প্ৰতিটো প্ৰজন্মক দেশপ্ৰেমৰ অনন্য অনুপ্ৰেৰণা জগাই আহিছে। তেওঁ কয়, যে দেশমাতৃৰ মুক্তিৰ বাবে কুশল কোঁৱৰৰ আত্মোৎসৰ্গৰ গৌৰৱগাথাই আমাৰ জাতীয় চেতনাক চিৰকাললৈ উদ্বুদ্ধ কৰি ৰাখিব। ইপিনে, মহানগৰীৰ নেহৰু উদ্যানত আয়োজিত অনুষ্ঠানত বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ চাৰিবিধ সাংস্কৃতিক আৰু কাৰুশিল্পজাত সামগ্ৰীয়ে GI TAG অৰ্থাৎ ভৌগোলিক সূচ্যাংক লাভ কৰিছে। শেহতীয়াকৈ ভৌগোলিক সূচক পঞ্জীয়ে বিহু পেঁপা, বাঁহ শিল্প, কাৰ্বি আংলঙৰ হস্ততাঁত শিল্প আৰু দেউৰী সম্প্ৰদায়ৰ হস্ততাঁত শিল্পক স্বীকৃতি প্ৰদান কৰিছে। ইয়াৰ লগে লগে ৰাজ্যৰ থলুৱা কাৰুশিল্প আৰু সাংস্কৃতিক পৰিচয়ৰ বৈচিত্ৰ্যপূৰ্ণ দিশসমূহ উদ্ভাসিত হোৱাত সহায়ক হৈ পৰিব। নতুনকৈ ভৌগোলিক সূচ্যাংক লাভ কৰা এই চাৰিবিধ সামগ্ৰীয়ে জনজাতীয় ঐতিহ্য, সংগীত বিজ্ঞান আৰু প্ৰাকৃতিক সম্পদৰ কাৰুশিল্পৰ বৰ্ণাঢ্য দিশ সামৰি লৈছে। এই স্বীকৃতিলাভৰ প্ৰক্ৰিয়াত ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক নাবাৰ্ডৰ অসম শাখাই সহায় কৰিছে। নাবাৰ্ডৰ অসম শাখাৰ মুখ্য প্ৰবন্ধক লোকেন দাসে এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়, যে ঐতিহ্য সংৰক্ষণৰ গুৰুত্বৰ লগতে কাৰুশিল্পীসকলৰ অৰ্থনৈতিক বহনক্ষমতা নিশ্চিত কৰাৰ বাবে নাবাৰ্ডে ভৌগোলিক সূচাংক প্ৰমাণ পত্ৰ লাভ প্ৰক্ৰিয়াক সক্ৰিয়ভাৱে সমৰ্থন যোগাই আহিছে। এই স্বীকৃতিয়ে সামগ্ৰীসমূহৰ পৰিচয় আৰু নিৰ্ভৰযোগ্যতাক সুদৃঢ় কৰাই নহয়, বৰং ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ইয়াৰ বজাৰ লাভৰ সম্ভাৱনা বৃদ্ধি কৰিব বুলি নাবাৰ্ডৰ অসম শাখাৰ মুখ্য প্ৰবন্ধকগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে নাবাৰ্ডৰ সহযোগত অসমৰ ভৌগোলিক সূচ্যাংক লাভ কৰা সামগ্ৰীৰ সংখ্যা ১২ টালৈ বৃদ্ধি পালে। এই স্বীকৃতি পোৱাৰ ফলত এনে সামগ্ৰীসমূহৰ বিনা অনুমতিত অনুকৰণ আৰু অপব্যৱহাৰৰ বিৰুদ্ধে আইনী সুৰক্ষা লাভ কৰিব।

০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি ৩ গৰাকী লোকে সাক্ষ্য প্ৰদান কৰে। আজিৰ দিনটোত সাক্ষ্য গ্ৰহণৰ বাবে ৰাহুল গোস্বামী, ৰাজ গোস্বামী, দিপাংকৰ ঠাকুৰীয়া আদালতত উপস্থিত হয়। এই গোচৰত প্ৰথমে এজাহাৰকাৰীসকলক সাক্ষ্য গ্ৰহণৰ বাবে মতা হৈছে বুলি চৰকাৰী অধিবক্তা জিয়াউৰ কামাৰে মন্তব্য কৰে। তেওঁ কয়, যে পৰৱৰ্তী পৰ্যায়ত চিকিৎসা বিভাগৰ সাক্ষীসকলক মতা হ'ব। তাৰ পৰৱৰ্তী পৰ্যায়ত ছিংগাপুৰৰ প্ৰবাসী অসমীয়াসকলৰ সাক্ষ্য লোৱা হ'ব বুলি তেওঁ কয়। এই সন্দৰ্ভত সাংবাদিকসকলৰ আগত অধিবক্তা জিয়াউৰ কামাৰে এইদৰে কয়–

***(বাইট ঃ কামাৰ)***

উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ পাছতে ঘটনাৰ উচিত তদন্ত বিচাৰি ৰাজ্যৰ বিভিন্ন আৰক্ষী থানাত ভালেসংখ্যক এজাহাৰ দাখিল হৈছিল। যিসকল লোকে এই এজাহাৰ দাখিল কৰিছিল সেইসকল লোকৰে যোৱা ৮ জুনৰ পৰা আদালতে সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া গ্ৰহণ কৰিছে। অহা ২০ জুন পৰ্যন্ত এই এজাহাৰকাৰীসকলৰ

আদালতে সাক্ষ্য গ্ৰহণ কৰিব। আমাৰ আগৰ বাতৰিতেই উল্লেখ কৰা হৈছে যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মুঠ সাক্ষী হৈছে ৩৯৪ জন।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানে ১০৭ দিনীয়া যুদ্ধৰ অৱসান ঘটাই হৰমুজ প্ৰণালী মুকলি কৰাৰ বাবে এখন চুক্তি চূড়ান্ত কৰিছে। এই চুক্তিত আনুষ্ঠানিকভাৱে স্বাক্ষৰ কৰাৰ পাছতেই অহা শুকুৰবাৰে হৰমুজ প্ৰণালী মুকলি কৰা হ'ব। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সামাজিক মাধ্যমৰ এটা বাৰ্তাত যোৱা নিশা এই কথা সদৰি কৰি কয়, যে এই চুক্তিৰ লগে লগে ইৰানৰ বন্দৰত আমেৰিকাৰ নৌসেনাৰ অৱৰোধৰ অন্ত পৰিব। ছুইজাৰলেণ্ডত অহা ১৯ জুনত শান্তি চুক্তিত স্বাক্ষৰ কৰা হ'ব। তেওঁ কয়, যে এই চুক্তিয়ে সমগ্ৰ মধ্যপ্ৰাচ্যলৈ শান্তি আৰু নিৰাপত্তা ঘূৰাই আনিব। এই চুক্তিৰ অধীনত ইৰানৰ পৰমাণু সংবৰ্ধন আৰু ৬০ দিনৰ ভিতৰত অত্যাধিক সংবৰ্ধিত ইউৰেনিয়াম নিষ্কাশনৰ বিষয়ে আলোচনা কৰাৰ বাবে দুয়োখন দেশক আহ্বান জনোৱা হৈছে। ইৰানৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদে জনোৱা মতে লেবাননকে ধৰি সকলো খণ্ডৰ যুদ্ধ আৰু সামৰিক অভিযান আজি নিশাৰে পৰা স্থায়ীভাৱে অন্ত পৰিব।

বিশ্ব নেতাসকলে আমেৰিকা আৰু ইৰানে তাৎক্ষণিক আৰু স্থায়ীভাৱে যুদ্ধবিৰতিৰ বাবে শান্তিচুক্তিৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰাৰ ঘোষণাক আদৰণি জনাইছে। নেতাসকলে এই চুক্তিক অতি গুৰুত্বপূৰ্ণ কূটনৈতিক অগ্ৰগতি বুলি উল্লেখ কৰি কয়, যে ইয়াৰ জৰিয়তে পশ্চিম এছিয়াত স্থিৰতা ঘূৰাই অনাত সহায়ক হ'ব। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সচিব এণ্টনিঅ' গুটেৰেছেও শান্তি চুক্তিৰ ঘোষণাক আদৰণি জনাইছে।

উল্লেখযোগ্য যে আমেৰিকা, ইজৰাইল আৰু ইৰানৰ মাজৰ সংঘৰ্ষত তেহৰানৰ কেইবাগৰাকী শীৰ্ষ নেতাই প্ৰাণ হেৰুৱায়। ইয়াৰ ভিতৰত ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেই, সৰ্বোচ্চ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ সচিব আলী লাৰিজানি, ইছলামিক ৰিভিলিউচানেৰী গাৰ্ড ক'ৰ্প্ছৰ কামাণ্ডাৰ মহম্মদ পাকপ'ৰ, প্ৰতিৰক্ষা মন্ত্ৰী আজিজ নাছিৰযাদে অন্যতম।

ooooo

ৰাজ্যৰ লোকনিৰ্মাণ বিভাগৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত বৰপেটা সমষ্টিত বিধায়ক দীপক কুমাৰ দাসে আজি ১৭ টা পথৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে। ইয়াৰে প্ৰথম কাৰ্যসূচী হিচাপে তেওঁ বৰপেটা চহৰৰ ৰাখালথান আৰু ৰামৰায় ষ্টেডিয়াম সংযোগী দুটা পথৰ নিৰ্মাণকাৰ্য উদ্বোধন কৰে। এই ১৭ টা পথৰ নিৰ্মাণৰ বাবে সৰ্বমুঠ ৮ কোটি ৬০ লাখ টকা ধাৰ্য কৰা হৈছে। পথবোৰৰ নিৰ্মাণ কাৰ্য অহা ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি বিধায়কগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

সমাপ্ত